# সঞ্চালক প্ৰধান, ই.এছ.আই. কৰ্প'ৰেশ্যন নতুন দিল্লী আৰু আন এজন

বনাম

# শ্ৰী এম.পি. জন আৰু অন্যান্য

**১ ডিচেম্বৰ, ১৯৯৮**

(ন্যায়াধীশ শ্ৰীমতী সুজাতা মনোহৰ আৰু জি. বি. পাটনায়ক)

*সেৱা আইন — প্ৰাক্তন সৈনিক — পুনৰ-নিযুক্তি — দৰমহাৰ স্থিৰীকৰণ — ৮.২.১৯৮৩ তাৰিখৰ চৰকাৰী আদেশ অন্ত ২৫.১১.১৯৫৮ তাৰিখৰ স্মাৰক পত্ৰ — পুনৰ-নিযুক্তিত বিহিত নিৰিখৰ নূন্যতমত দৰমহা স্থিৰীকৰণ — অসুবিধাৰ ক্ষেত্ৰত উচ্চতৰ স্তৰত দৰমহা স্থিৰীকৰণৰ ব্যৱস্থা — ১৯.৯.৮৫ তাৰিখৰ চৰকাৰী আদেশ — পুনৰ-নিযুক্ত পেঞ্চনাৰৰ দৰমহাৰ স্থিৰীকৰণ — নূন্যতম নিৰিখত দৰমহা স্থিৰীকৰণৰ ব্যৱস্থা — সামৰিক কৰ্তৃপক্ষৰ পৰা সম্পূৰ্ণ পেঞ্চন লোৱাৰ অধিকাৰ — প্ৰতিবাদী এগৰাকী প্ৰাক্তন সৈনিক — আপীলকাৰী কৰ্প'ৰেশ্যনত পুনৰ নিযুক্ত — তেওঁৰ দৰমহা নূন্যতমত স্থিৰ কৰা হৈছে — সম্পূৰ্ণ পেঞ্চনৰো অধিকাৰী — তেওঁৰ যুক্তি হ'ল পুনৰ-নিযুক্তিত তেওঁৰ দৰমহা স্থিৰ কৰোঁতে তেওঁৰ পেঞ্চনক আওকাণ কৰিব লাগে — নাকচ — প্ৰতিবাদীৰ ক্ষেত্ৰত, ২৫.১১.৫৮-ৰ চৰকাৰী আদেশত আলোচিত ধৰণৰ কোনো অসুবিধা নাছিল — সেয়ে, ৮.২.৮৩-ৰ চৰকাৰী আদেশ অনুসৰি তেওঁৰ দৰমহা দৰমহা স্থিৰ কৰাটো সঠিক আছিল — ন্যায়াধিকৰণে এই সিদ্ধান্তত উপনীত হোৱাটো শুদ্ধ নাছিল যে প্ৰতিবাদীৰ প্ৰাৰম্ভিক দৰমহা, তেওঁ সম্পূৰ্ণ কৰা সামৰিক সেৱাৰ প্ৰতিটো বছৰৰ বাবে এটা ৰাশি বৃদ্ধি কৰি স্থিৰ কৰি, তেওঁৰ পেঞ্চনক আওকাণ কৰা উচিত — সেয়েহে ন্যায়াধিকৰণৰ বিবাদিত আদেশ বাতিল কৰা হয়।*

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: ১৯৯৪ চনৰ দেৱানী আপীল নং ৬৮৭২-৬৮৭৫।**

১৯৮৮ চনৰ অ'.এ. নং কে. ৪৭৭/৮৮, কে. ৫০৪, কে. ৫০৫ আৰু ৫২৫-ত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, আৰণাকুলামৰ ১৪.৩.৯০ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

লগতে

১৯৯৪ চনৰ দেৱানী আপীল নং ৭৬২২-২৩ আৰু দেৱানী আপীল নং ৬৮৯০।

আপীলকাৰীসকলৰ হৈ অধিবক্তা এছ. কে. গম্ভীৰ আৰু দিৱাকৰ চতুৰ্বেদী।

প্ৰতিপক্ষৰ হৈ ভি. চি. মহাজন, ৰয় আব্ৰাহিম, এম. এম. কাশ্যপৰ হৈ (সুধিৰ পি. এছ.), এছ. ডব্লিউ. এ. কাদ্ৰীৰ হৈ (মিছ অমিতা বাৰ্মা) আৰু মিছ অনিল কাটিয়াৰ।

নিম্নোক্ত আদালতৰ ৰায় প্ৰদান কৰা হৈছিল:

দেৱানী আপীল নং ৬৮৭২-৬৮৭৫ আৰু ৭৬২২-২৩/৯৪।

আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই কয় যে *ভাৰত চৰকাৰ আৰু অন্যান্য বনাম জি বাসুদেৱন পিল্লাই আৰু অন্যান্য,* (১৯৯৫) ১ জে.টি. ৪১৭ গোচৰত আদালতে লোৱা সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে এই আবেদনসমূহৰ ন্যায়িক প্ৰক্ৰিয়া আগবঢ়াই নিব বিচৰা নাই। আবেদনসমূহ আগ নবঢ়োৱা বাবে খাৰিজ কৰা হয়।

দেৱানী আপীল নং ৬৮৯০/৯৪।

১ নং প্ৰতিবাদীক, যি এজন প্ৰাক্তন সৈনিক আছিল, আপীলকাৰী-কৰ্প'ৰেশ্যনত নিম্ন বৰ্গৰ কেৰাণী হিচাপে পুনৰ নিযুক্তি দিয়া হৈছিল। তেওঁৰ দৰমহা দৰমহা নিৰিখৰ নিম্নতম স্তৰত স্থিৰ কৰা হৈছিল আৰু তেওঁ প্ৰাক্তন সৈনিক হিচাপে তেওঁৰ সম্পূৰ্ণ পেঞ্চনৰ অধিকাৰী আছিল। ৮.২.৮৩ তাৰিখৰ চৰকাৰী আদেশত অন্যান্য বিষয়ৰ লগতে উল্লেখ কৰা হৈছে যে ৫৫ বছৰ বয়সৰ আগতে অৱসৰ লোৱা আৰু পুনৰ নিযুক্তি পোৱা প্ৰাক্তন সৈনিকসকলৰ ক্ষেত্ৰত

(দ্বায়িত্ববাহী বিষয়া(commissioned officer) পদবীৰ তলৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰত) পুনৰ নিযুক্তিৰ সময়ত দৰমহা স্থিৰ কৰাৰ ক্ষেত্ৰত সমগ্ৰ পেঞ্চনটোক আওকাণ কৰিব পাৰি। ২৫.১১.৫৮ তাৰিখৰ কাৰ্যালয়ৰ স্মাৰকপত্ৰৰ সৈতে সেই সময়ত এই চৰকাৰী আদেশ বলবৎ আছিল।

২৫.১১.৫৮ তাৰিখৰ কাৰ্যালয়ৰ স্মাৰকপত্ৰৰ অধীনত পুনৰ নিযুক্তি প্ৰাপ্ত পেঞ্চনাৰসকলক কেৱল নিৰ্ধাৰিত নিৰিখত দৰমহা প্ৰদান কৰা হৈছিল। পুনৰ নিযুক্তিৰ সময়ত প্ৰাৰম্ভিক দৰমহা প্ৰাক্তন সৈনিকজনক পুনৰ নিযুক্তি দিয়া পদটোৰ বাবে নিৰ্ধাৰিত দৰমহাৰ নিৰিখৰ নূন্যতম স্তৰত নিৰ্ধাৰণ কৰিব লাগিছিল। কিন্তু এইটো নিৰ্ধাৰণ কৰা হৈছিল যে য'ত পুনৰ নিযুক্তি প্ৰাপ্ত ব্যক্তিৰ প্ৰাৰম্ভিক দৰমহা নূন্যতম নিৰ্ধাৰিত দৰমহাৰ নিৰিখত নিৰ্ধাৰণ কৰিলে অসুবিধাৰ সৃষ্টি হ'ব, তেনে ক্ষেত্ৰত বিষয়াজনে অৱসৰৰ আগতে সেই পদত প্ৰদান কৰা প্ৰতিটো বছৰৰ বাবে এটা বৰ্দ্ধিত ৰাশিৰ অনুমতি দি দৰমহা স্কেলত উচ্চ পৰ্যায়ত নিৰ্ধাৰণ কৰিব পাৰি, কিন্তু সেই পদ পুনৰ-নিযুক্ত হৈৱা পদতকৈ নিম্ন স্তৰৰ হ'ব নোৱাৰিব। এই কাৰ্যালয়ৰ স্মাৰকপত্ৰৰ সৈতে জড়িত জাৰি কৰা স্পষ্টীকৰণৰ অধীনত, "অসুবিধা"ক তলত দিয়া ধৰণে সংজ্ঞায়িত কৰা হৈছিল:-

> "পুনৰ নিযুক্তিৰ ক্ষেত্ৰত অসুবিধাৰ বিষয় হ'ব, যদি প্ৰাক্তন সৈনিকজনে লাভ কৰা মুঠ ধনৰাশি অৰ্থাৎ নূন্যতম দৰমহা নিৰিখৰ লগতে পেঞ্চন আৰু পাৰিতোষিকৰ পেঞ্চন সমতুল্য, আওকাণযোগ্য হওঁক বা নহওঁক, অৱসৰৰ সময়ত প্ৰাপ্ত কৰা শেষৰ দৰমহাৰ তুলনাত কম হয়।"

১৯.৯.১৯৮৫ তাৰিখে, পুনৰ নিযুক্তি প্ৰাপ্ত পেঞ্চনাৰসকলৰ (প্ৰাক্তন সৈনিক) দৰমহা স্থিৰীকৰণ সম্পৰ্কীয় আন এখন কাৰ্যালয়ৰ স্মাৰকপত্ৰ জাৰি কৰা হৈছিল। দফা ১-ৰ অধীনত, ২৫.১.৮৩ তাৰিখে বা তাৰ পিছত পুনৰ নিযুক্তি প্ৰাপ্ত অ-দ্বায়িত্ববাহী বিষয়া (non-

commissioned officer) পদবীলৈকে প্ৰাক্তন সৈনিকৰ দৰমহা, ভাৰত চৰকাৰৰ ২৫.১১,৫৮ তাৰিখৰ আদেশৰ অধীনত দৰমহাৰ নিৰিখৰ নূন্যতম নিৰ্ধাৰণ কৰিব পাৰি আৰু তেওঁলোকে আদেশত নিৰ্ধাৰিত অন্যান্য চৰ্তসমূহ পূৰণ কৰিলে সামৰিক কৰ্তৃপক্ষৰ পৰা সম্পূৰ্ণ পেঞ্চন লাভ কৰাৰ অধিকাৰী হ'ব।

বৰ্তমানৰ গোচৰটোত প্ৰতিবাদীক ২৯.১.৮৫ তাৰিখে পুনৰ নিযুক্তি দিয়া হৈছিল আৰু পুনৰ নিযুক্তিৰ সময়ত তেওঁৰ দৰমহা ৮.২.৮৩ তাৰিখৰ চৰকাৰী জাননী আৰু ২৫.১.১৫৮ তাৰিখৰ কাৰ্যালয়ৰ স্মাৰকপত্ৰ অনুসৰি স্থিৰ কৰা হৈছিল। প্ৰতিবাদীৰ যুক্তি হ'ল যে ৮.২.৮৩ তাৰিখৰ চৰকাৰী জাননীৰ অধীনত পুনৰ নিযুক্তিৰ সময়ত তেওঁৰ দৰমহা স্থিৰ কৰাত তেওঁৰ পেঞ্চনক আওকাণ কৰিব লাগিব। সেয়েহে ২৫.১১.৫৮ তাৰিখৰ কাৰ্যালয়ৰ স্মাৰকপত্ৰৰ অধীনত অসুবিধা নিৰ্ধাৰণৰ উদ্দেশ্যে তেওঁৰ পেঞ্চনৰ বিবেচনা কৰিব নোৱাৰি। এই বিতৰ্কৰ কোনো সাৰমৰ্ম নাই। ৮.২.৮৩ তাৰিখৰ চৰকাৰী আদেশৰ অধীনত দৰমহা স্থিৰীকৰণৰ উদ্দেশ্যে পেঞ্চনক আওকাণ কৰিব লাগিব। এইদৰে পুনৰ নিযুক্তি পোৱা প্ৰাক্তন সৈনিকজনে নিম্নতম দৰমহা নিৰিখ লাভ কৰিব আৰু ইয়াৰ উপৰিও তেওঁ সামৰিক কৰ্তৃপক্ষৰ পৰা প্ৰাক্তন সৈনিক হিচাপে তেওঁৰ সম্পূৰ্ণ পেঞ্চনও লাভ কৰিব। পুনৰ নিযুক্তিৰ ওপৰত দৰমহা স্থিৰ কৰাৰ সময়ত পেঞ্চনক আওকাণ কৰা হ'ব বুলি কোৱাটোৰে এই কথাকহে বুজায়।

২৫.১১.৫৮ তাৰিখৰ কাৰ্যালয়ৰ স্মাৰকপত্ৰখনৰ উদ্দেশ্য একেবাৰে বেলেগ। ২৫.১১.৫৮ তাৰিখৰ চৰকাৰী আদেশে নিয়োগকৰ্তাক অসুবিধাৰ ক্ষেত্ৰত পুনৰ নিযুক্তি প্ৰাপ্ত প্ৰাক্তন সৈনিকক যোগদান কৰাৰ সময়ত নিৰ্ধাৰিত দৰমহাৰ নিৰিখত কিছু বৃদ্ধি দিবলৈ সক্ষম কৰে। এই অসুবিধাৰ সৃষ্টি হয় যদিহে পুনৰ নিযুক্তিৰ সময়ত তেওঁৰ দৰমহা আৰু পেঞ্চনৰ পৰিমাণ সামৰিক সেৱাত থকাৰ সময়ত তেওঁ শেষবাৰৰ বাবে লাভ কৰা দৰমহাতকৈ কম হয়। কাৰ্যালয়ৰ স্মাৰকপত্ৰত "আওকাণ কৰিব পৰা বা নোৱাৰা" পেঞ্চনৰ কথা যথেষ্ট স্পষ্টভাৱে

উল্লেখ কৰা হৈছে। গতিকে দৰমহা স্থিৰীকৰণৰ উদ্দেশ্যে আওকাণ কৰা পেঞ্চনক ২৫.১১.৫৮ তাৰিখৰ চৰকাৰী আদেশৰ অধীনত প্ৰাক্তন সৈনিকজনৰ ক্ষেত্ৰত কোনো আৰ্থিক অসুবিধা আছে নেকি সেইটো নিৰ্ণয় কৰাৰ উদ্দেশ্যে বিবেচনা কৰিব পাৰি। ইয়াক ৮.২.৮৩ তাৰিখৰ চৰকাৰী আদেশৰ সৈতে কোনো ধৰণে সংঘাতপূৰ্ণ বুলি গণ্য কৰিব নোৱাৰি, যিয়ে পুনৰ নিযুক্তিৰ ক্ষেত্ৰত নূন্যতম নিৰিখত দৰমহা প্ৰদানৰ নিৰ্দেশ দিয়ে। পিছৰটোৱে পুনৰ নিযুক্তিৰ ক্ষেত্ৰত সাধাৰণতে এজন প্ৰাক্তন সৈনিকে লাভ কৰিব পৰা দৰমহা নিয়ন্ত্ৰণ কৰে। ইয়াৰ উপৰিও তেওঁ পেঞ্চন লাভ কৰিব বুলিও নিৰ্ধাৰণ কৰে, যিটো দৰমহা নিৰ্ধাৰণৰ বাবে আওকাণ কৰিব লাগে। দৰমহাৰ নিৰিখৰ নূন্যতম স্তৰত দৰমহা প্ৰদানৰ এই নিয়মৰ পৰা আঁতৰি যোৱাটো কেৱল অসুবিধাৰ ক্ষেত্ৰতহে অনুমোদিত আৰু সেইটোও কেৱল নিৰ্ধাৰিত পৰিসৰলৈকেহে। ২৫.১১.৫৮ তাৰিখৰ চৰকাৰী আদেশৰ অধীনত প্ৰতিবাদীৰ ক্ষেত্ৰত কোনো অসুবিধা নাই। সেয়েহে ৮.২.৮৩ তাৰিখৰ চৰকাৰী আদেশৰ অধীনত তেওঁৰ দৰমহা স্থিৰ কৰাটো সঠিক।

সেয়েহে ন্যায়াধিকৰণে এই সিদ্ধান্তত উপনীত হোৱাটো সঠিক নাছিল যে প্ৰতিবাদীয়ে আগবঢ়োৱা সামৰিক সেৱাৰ প্ৰতিটো বছৰৰ বাবে এটা ৰাশি বৃদ্ধি কৰি, তেওঁৰ পেঞ্চনক আওকাণ কৰি তেওঁৰ প্ৰাৰম্ভিক দৰমহা স্থিৰ কৰিব লাগে। সেয়েহে ন্যায়াধিকৰণৰ বিবাদিত আদেশ বাতিল কৰি আপীলৰ অনুমতি দিয়া হয়।

টি.এন.এ. আপীলৰ অনুমতি দিয়া হৈছে।

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”